**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান, ইছৰোৱে কালি নিশা স্পেডেক্স অভিযানৰ অধীনত দুটা উপগ্ৰহ সফলতাৰে উৎক্ষেপণ কৰে।

২। কেন্দ্ৰীয় চৰকাৰে ডিজি যাত্ৰাৰ তথ্যৰ সহায়ত কৰ ফাঁকি দিয়া লোকসকলক দমন কৰা হ'ব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিক ভিত্তিহীন আখ্যা দিছে।

৩। নেপালৰ ৰূপানদেহীৰ চলঝণ্ডীত আজি সূৰ্যকিৰণ শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হ'ব।

৪। চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ত যৌন নিৰ্যাতনৰ ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মহিলা আয়োগে সম্পূৰ্ণ তদন্ত চলাই আছে বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। **আৰু**

৫। হকী ইণ্ডিয়া লীগৰ কালি নিশা অনুষ্ঠিত এখন খেলত ইউ পি ৰুদ্ৰাছ দলে যোৱাবাৰৰ বিজয়ী কালিংগ লেন্সাৰ্ছক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান, ইছৰোৱে কালি নিশা স্পেডেক্স অভিযানৰ অধীনত সফলভাৱে দুটা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰিছে। কালি নিশা ৯ বাজি ৫৮ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটা মহাকাশ কেন্দ্ৰৰ উৎক্ষেপন স্থলীৰ পৰা উপগ্ৰহ দুটা মহাকাশলৈ প্ৰেৰণ কৰা হয়। পি এছ এল ভি C- 60 যানখনে Chaser অৰ্থাৎ SDX-01 আৰু TARGET অৰ্থাৎ SDX-02 নামৰ উপগ্ৰহ দুটা ৪৭০ কিলোমিটাৰৰ কক্ষপথত স্থাপন কৰে। এই দুয়োটা উপগ্ৰহ একেটা কক্ষপথতে ১০ ৰ পৰা ২০ কিলোমিটাৰৰ দূৰত্বত স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে, এই অভিযানৰ জৰিয়তে ভাৰত, 'ডকিং প্ৰযুক্তি' থকা পৃথিৱীৰ ভিতৰত চতুৰ্থখন দেশ হিচাপে পৰিগণিত হয়। উপগ্ৰহ দুটাৰ সফল উৎক্ষেপনৰ পাছত ইছৰোৰ অধ্যক্ষ এছ চোমনাথে কয় যে দুয়োটা উপগ্ৰহৰ পেনেল সফলতাৰে লো আৰ্থ অৰবিটত স্থাপন কৰা হৈছে আৰু কেইদিনমানৰ পাছতে চেজাৰ আৰু টাৰ্গেটে ২০কিঃমি ভ্ৰমণ কৰি একেলগে ডকিং প্ৰক্ৰিয়া আৰম্ভ কৰিব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ডিজি যাত্ৰাৰ তথ্যৰ সহায়ত কৰ ফাঁকি দিয়া লোকসকলক দমন কৰা হ'ব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিক ভিত্তীহীন আখ্যা দিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ এটা সূত্ৰই স্পষ্ট কৰি দিছে যে ডিজি যাত্ৰা সন্দৰ্ভত সম্প্ৰচাৰিত এনে প্ৰতিবেদন ভুৱা আৰু ভিত্তিহীন। মন্ত্ৰালয়ে লগতে আয়কৰ বিভাগৰ সৈতে ডিজি যাত্ৰাৰ

যাত্ৰীসকলৰ কোনো তথ্য ভাগ-বতৰা কৰা হোৱা নাই বুলিও স্পষ্টীকৰণ দিছে। ডিজি যাত্ৰা এপটোৱে আত্ম-সাৰ্বভৌম পৰিচয় ধাৰণাক অনুসৰণ কৰে, য'ত যাত্ৰীসকলৰ তথ্য আৰু ভ্ৰমণ সম্পৰ্কীয় প-পত্ৰসমূহ কেৱল ব্যৱহাৰকাৰীৰ ডিভাইচতহে উপলব্ধ হয়। যদি কোনো ব্যৱহাৰকাৰীয়ে ডিজি যাত্ৰা এপটো আনইনষ্টল কৰে তেন্তে ইয়াৰ সকলো তথ্য সম্পূৰ্ণৰূপে ডিলিট হৈ যায় বুলিও মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। ডিজি যাত্ৰা কেৱল ঘৰুৱা যাত্ৰীসকলৰ বাবেহে প্ৰস্তুত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ ক্ষেত্ৰত ডিজিযাত্ৰা এপ প্ৰযোজ্য নহয়। ডিজি যাত্ৰা হৈছে দেশৰ বিভিন্ন বিমানবন্দৰত সংস্পৰ্শবিহীনভাৱে যাত্ৰীসকলক চিনাক্তকৰণ কৰি প্ৰৱেশৰ অনুমতি প্ৰদান কৰা এটা উত্তম প্ৰযুক্তি।

ooooo

দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাই আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীক অস্থায়ী মুখ্যমন্ত্ৰী বুলি কৰা মন্তব্যক সমালোচনা কৰিছে। উপ-ৰাজ্যপালগৰাকীয়ে শ্ৰীকেজৰিৱালৰ এই মন্তব্যক আপত্তিজনক বুলি অভিহিত কৰিছে। শ্ৰীচাক্সেনাই শ্ৰীমতী আতিশীলৈ লিখা এখন পত্ৰ এইবুলি কৈছে যে অৰবিন্দ কেজৰিৱালে সংবাদমাধ্যমৰ আগত শ্ৰীমতী আতিশীক অস্থায়ী মুখ্যমন্ত্ৰী বুলি ৰাজহুৱভাৱে কৰা মন্তব্য অত্যন্ত অপমানজনক। উপ-ৰাজ্যপালগৰাকীয়ে অৰবিন্দ কেজৰিৱালে ঘোষণা কৰা মহিলা সন্মান যোজনাৰ বিষয়ে উল্লেখ কৰি কয়, যে মুখ্যমন্ত্ৰীৰ উপস্থিতিত কৰা এনে ঘোষণাই মুখ্যমন্ত্ৰীৰ পদৰ মৰ্যাদা কলংকিত কৰিছে। অৱশ্যে দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে এই পত্ৰখনৰ প্ৰতি সঁহাৰি জনাই ইয়াক সম্পূৰ্ণ ৰাজনৈতিক বুলি মন্তব্য কৰে। তেওঁ কয়, যে অৰবিন্দ কেজৰিৱালৰ পথ অনুসৰি কৰিয়েই তেওঁ চৰকাৰখন চলাই নিছে।

ooooo

নেপালৰ ৰূপানদেহীৰ চলঝণ্ডীত আজি **সূৰ্যকিৰণ** শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হ'ব। এই যুটীয়া সামৰিক অনুশীলনে অৰণ্যত যুদ্ধ কঠিন ভৌগোলিক অঞ্চলত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত মানৱীয় সাহায্য প্ৰদানৰ লগতে অন্যান্য বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। দুসপ্তাহজোৰা এই সামৰিক অনুশীলনত ভাৰতীয় স্থল সেনাৰ একাদশ গোৰ্খা ৰাইফল আৰু নেপালী সেনাৰ শ্ৰী জাং বেটেলিয়নে অংশগ্ৰহণ কৰিব। এই যুটীয়া সামৰিক অনুশীলনৰ দ্বাৰা ভাৰত আৰু নেপালৰ মাজৰ ব্যৱসায়িক সহযোগিতা, বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু আস্থা বৃদ্ধি হোৱাৰ লগতে সাংস্কৃতি সম্পৰ্ক অধিক প্ৰসাৰিত হ'ব বুলি আশা কৰা হৈছে। এই যুটীয়া অনুশীলনৰ সপ্তদশ সংস্কৰণ যোৱা বছৰ পিথোৰাগড়ত অনুষ্ঠিত হৈছিল।

ooooo

চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ত যৌন নিৰ্যাতনৰ ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মহিলা আয়োগে সম্পূৰ্ণ তদন্ত চলাই আছে বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। আয়োগে প্ৰকাশ কৰা অনুসৰি বিশ্ববিদ্যালয়ত হোৱা এই ঘটনাৰ সবিশেষ তথ্য লাভ কৰাৰ পাছত ইয়াৰ তদন্তৰ বাবে অধিক তথ্য প্ৰমাণ আহৰণৰ উদ্দেশ্যে এখন সমিতি চেন্নাইলৈ প্ৰেৰণ কৰা হৈছে। সমিতিখনে ঘটনাটোৰ সবিশেষ তথা এই সন্দৰ্ভত চলাই থকা তদন্তৰ পৰ্যালোচনা সুনিশ্চিত কৰাৰ বাবে এলানি পদক্ষেপ গ্ৰহণ কৰিছে। সমিতিখনে এই ঘটনাৰ ভুক্তভোগী আৰু তেওঁৰ পৰিয়ালৰ লোকসকলক সাক্ষাৎ কৰি ঘটনাৰ সবিশেষ বুজি লোৱাৰ লগতে তেওঁলোকলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। সমিতিখনে তদন্তৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে উপযুক্ত পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদানৰ উদ্দেশ্যে তামিলনাডুৰ ৰাজ্যপালক সাক্ষাৎ কৰাৰ

লগতে ৰাজ্যখনৰ গৃহ সচিব, আৰক্ষী সঞ্চালকপ্ৰধান আৰু উপায়ুক্তৰ সৈতেও মত বিনিময় কৰে। ৰাষ্ট্ৰীয় মহিলা আয়োগে কৈছে যে ভুক্তভোগীক ন্যায় প্ৰদান কৰা আৰু শৈক্ষিক প্ৰতিষ্ঠানখনত সকলোৰে বাবে সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ। সমিতিখনে লাভ কৰা বিভিন্ন দিহা-পৰামৰ্শ তথা তথ্য প্ৰমাণৰ ভিত্তিত শীঘ্ৰেই তেওঁলোকে ইয়াৰ বিতং প্ৰতিবেদন আয়োগৰ অধ্যক্ষৰ ওচৰত দাখিল কৰিব।

০০০০০

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মধ্যস্থতাত ৰাছিয়া আৰু ইউক্ৰেইনে শ শ যুদ্ধবন্দীৰ বিনিময় কৰিছে। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এটা সূত্ৰই কয় যে তেওঁলোকে বন্দী হৈ থকা ১৫০ জন ইউক্ৰেইন সৈনিকক মুকলাই দিছে আৰু ইয়াৰ বিনিময়ত ইউক্ৰেনেও সমান সংখ্যক ৰাছিয়াৰ সৈন্য দেশখনলৈ ওভতাই পঠিয়াইছে। ইফালে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেন্সকিয়ে কয় যে বৰ্তমানলৈ ১৮৯ জন ইউক্ৰেইনৰ নাগৰিক দেশখনলৈ উভতি আহিছে। ২০২২ চনৰ মে' মাহত ৰাছিয়াই ইউক্ৰেইনৰ দক্ষিণ-পূব প্ৰান্তৰ মাৰিউপল চহৰ দখল কৰাৰ পাছত চহৰখনৰ আজ'ভষ্টাল তীখা উদ্যোগৰ সুৰক্ষাকৰ্মীসকলে আত্মসমৰ্পণ কৰিবলগীয়া হৈছিল। ইউক্ৰেইনে দাবী কৰা অনুসৰি এই পৰ্যন্ত কীভৰ সৈতে চুক্তিবদ্ধ হৈ মস্কোৱে সৈনিক আৰু সাধাৰণ নাগৰিকসহ মুঠ ৩৯৫৬ গৰাকী যুদ্ধবন্দীক মুকলি কৰি দিছে।

০০০০০

বেংগালুৰুৰ এখন বিশেষ আদালতে এটা বাংলাদেশী সন্ত্ৰাসবাদীক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ড ঘোষণা কৰিছে। জহিদুল ইছলাম ওৰফে কৌচাৰ নামৰ অভিযুক্তজনক ৫৭ হাজাৰ টকাৰ জৰিমনাও বিহা হৈছে। বাংলাদেশী সন্ত্ৰাসবাদীটোক কেইবাটাও কূটঘাতমূলক ষড়যন্ত্ৰ, ডকাইতিৰ ঘটনা, পুঁজি সংগ্ৰহ তথা বিস্ফোৰক সামগ্ৰী ক্ৰয় আদি ঘটনা সৈতে জড়িত আছিল। এই বিষয়ক তদন্তৰ সূত্ৰই প্ৰকাশ কৰা মতে বাংলাদেশত কেইবালানিও বোমা বিস্ফোৰণৰ ঘটনাৰ পাছত দেশখনৰ পৰা পলাই আহি সন্ত্ৰাসবাদীটো ভাৰতত প্ৰৱেশ কৰিছিল। ২০১৮ চনত বুদ্ধগয়াত আৰু ২০১৪ চনত বৰ্দ্ধমানত হোৱা বোমা বিস্ফোৰণৰ লগতে ভাৰতত বাংলাদেশৰ জামাত-উল-মুজাহিদিনৰ কাৰ্যকলাপ বৃদ্ধিৰ ঘটনাৰ সৈতে সন্ত্ৰাসবাদীটো জড়িত থকাৰ উপযুক্ত প্ৰমাণ লাভ কৰাৰ পাছত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ আদালতে এই সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশটো জাৰি কৰে। ইয়াকে লৈ এই ঘটনাসমূহৰ সন্দৰ্ভত এতিয়ালৈকে মুঠ ১১ জন অভিযুক্তক দোষী সাব্যস্ত কৰা হৈছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৮ বজাৰ পৰা **২০২৪ বৰ্ষ আৰু ইয়াৰ ৰৈ যোৱা স্মৃতি** সন্দৰ্ভত এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইংৰাজীত প্ৰচাৰ হ'বলগীয়া এই অনুষ্ঠানটি এফ এম গোল্ড চেনেলত ১০০ দশমিক ১ মেগাহাৰ্টজত আৰু আকাশবাণীৰ অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আকাশবাণীৰ ৱেবছাইট NEWS ON AIR DOT GOV DOT IN আৰু আমাৰ ইউটিউব চেনেল AKASHVANI AIR আৰু NEWS ON AIR OFFICIAL তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০

অধ্যাপক মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰে কয় যে, বাংলাদেশ ম্যানমাৰ সীমান্তৰ ২৭১ কিলোমিটাৰ ভূমিৰ ওপৰত নিয়ন্ত্ৰণ দখল কৰা ম্যানমাৰ চৰকাৰ আৰু ম্যানমাৰৰ বিদ্ৰোহী আৰাকান সেনাবাহিনীৰ সৈতে বাংলাদেশ চৰকাৰ যোগাযোগত আছে। ম্যানমাৰৰ সীমান্তৱৰ্তী দক্ষিণ-পূব অঞ্চল টেকনাফ ভ্ৰমণৰ সময়ত বাংলাদেশৰ গৃহ পৰিক্ৰমা বিভাগৰ উপদেষ্টা লেফটেনেণ্ট জেনেৰেল জাহাংগীৰ আলম চৌধুৰীয়ে কয় যে

দেশদুখনৰ ২৭১ কিলোমিটাৰ সীমান্ত এতিয়া আৰাকান সেনাৰ নিয়ন্ত্ৰণত আছে। তেওঁ লগতে কয় যে বাংলাদেশৰ নিৰাপত্তা বাহিনীয়ে সীমান্তত সতৰ্কতাৰে কৰ্তব্য পালন কৰি আছে আৰু এতিয়ালৈকে কোনো সমস্যাৰ সন্মুখীন হোৱা নাই। চৌধুৰীয়ে কয় যে, বাংলাদেশ সীমান্তৰক্ষী বাহিনী বিজিবিকে ধৰি সকলো নিৰাপত্তা বাহিনীয়ে অতি সাৱধানতাৰে নিজৰ কৰ্তব্য পালন কৰি আছে আৰু আইন-শৃংখলা যাতে সকলো সময়তে সুস্থিৰ হৈ থাকে তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বাংলাদেশে সীমান্তত অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছিল যদিও বিদ্ৰোহী সংগঠনটোৱে বাংলাদেশী সৈন্যক খেদি পঠিয়াই বুলি খবৰ বিয়পি পৰাৰ পাছতেই গৃহ পৰিক্ৰমা বিভাগৰ উপদেষ্টাগৰাকীয়ে এইদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে।

ooooo

হকী ইণ্ডিয়া লীগৰ কালি নিশা অনুষ্ঠিত এখন খেলত ইউ পি ৰুদ্ৰাছ্‌ দলে যোৱাবাৰৰ বিজয়ী কালিংগ লেন্সাৰ্ছক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ইউ পি ৰুদ্ৰাছ্‌ৰ হৈ কেন ৰাছেলে দুটা আৰু সুদীপ শিৰমাকোৱে এটা গ'ল দিয়াৰ লগতে কালিংগ লেন্সাৰ্ছৰ হৈ এনৰিক গোঞ্জালেজে একমাত্ৰ গ'লটো দিয়ে। ইউ পি ৰুদ্ৰাছ্‌ৰ গ'লৰক্ষক জেমছ্‌ মাজাৰেল'ক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। উল্লেখযোগ্য যে লীগৰ আজি নিশা এখন খেলত দিল্লীৰ এছ্‌ জি পাইপাৰ্ছ্‌ দল হায়দৰাবাদ তুফানছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত